ISSN 2249-5142

সমাজ-সাহিত্য-সংস্কৃতি বিষয়ক আলোচনী

মে'/২০১২ মূল্য ঃ ২০ টকা

# নিনাদ



নিনাদ

NEINAD Northeast India Network for Academic Discourse



# নাৰী আৰু ৰাজনৈতিক সবলীকৰণ

✍ বন্দিতা বৰবৰা

দেশৰ ৰাজহুৱা প্ৰেক্ষাপটত নাৰীৰ অংশগ্ৰহণৰ বিষয়টো সবল কৰিবৰ বাবে প্ৰাথমিক স্বীকাৰ্য হ'ল নাৰী জাতিক যিকোনো সিদ্ধান্তগ্ৰহণ প্ৰক্ৰিয়াৰ অংশীদাৰ কৰি তোলা। যদিও দেশৰ জনসংখ্যাৰ প্ৰায় আধা অংশ জনসংখ্যা নাৰী, তথাপি ৰাজনৈতিক ক্ষেত্ৰখনত নাৰীৰ অংশগ্ৰহণৰ বিষয়টো মন কৰিবলগীয়া। বহু ক্ষেত্ৰত পুৰুষৰ সমানে নাৰীৰ ৰাজনৈতিক সক্ৰিয়তা নথকাৰ হেতু গণতান্ত্ৰিক দেশত ই এক সমস্যাৰো সৃষ্টি কৰে, কিন্তু এই কথাও সত্য যে যদিও পুৰুষ আৰু নাৰীৰ ৰাজনৈতিক সক্ৰিয়তা বা অংশগ্ৰহণৰ ক্ষেত্ৰত কিছু পাৰ্থক্য পৰিলক্ষিত হয়, তথাপি তাৰ মাজতে বহুসংখ্যক নাৰীয়ে সবলভাৱে সামাজিক তথা ৰাজনৈতিক নেতৃত্ব প্ৰদান কৰি অহা কথাটো নিদৰ্শনস্বৰূপ। বিশ্বৰ কোটি কোটি জনতাৰ মাজত নিদৰ্শনস্বৰূপ কেইগৰাকীমান নাৰীৰ সবল আত্মপ্ৰকাশ পাথেয় হিচাপে ল'লেও এই ছবিখনকে আমি সামগ্ৰিক সমতাৰ প্ৰতিচ্ছবি বুলি ভাবিলে ভুল কৰা হ'ব। কিয়নো, বিশ্বৰ প্ৰেক্ষাপটত কেৱল ১০ শতাংশ নাৰীয়েহে বিধায়িনী ক্ষেত্ৰখনত অংশ লৈছে। উল্লেখযোগ্য কথা এই যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে সবল আৰু ধনী দেশতো মহিলা বিধায়িনী সদস্যৰ সংখ্যা মাত্ৰ ১৭ শতাংশ। একেদৰে বিজ্ঞান-প্ৰযুক্তিৰ দিশৰ পৰা আগশাৰীৰ জাপানৰ দৰে দেশতো মহিলা বিধায়িনী সদস্যৰ সংখ্যা পুতৌলগা। অন্যহাতে মোজাম্বিকৰ দৰে যুদ্ধ আৰু দুৰ্ভিক্ষপীড়িত দেশত মহিলা বিধায়িনী সদস্যসংখ্যা (৩০ গৰাকী) তাৎপৰ্যপূৰ্ণ আৰু নিৰ্দশনযোগ্য। এই প্ৰসংগতে এই কথাও পতিয়নযোগ্য যে কোনো দেশ ঔদ্যোগিক তথা বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰে উন্নত হ'লেও স্বকীয়ভাৱে নাৰী সবলীকৰণৰ দিশটো আগবাঢ়ি নাযাবও

পাৰে।

নাৰীৰ ৰাজনৈতিক সবলীকৰণৰ বিষয়টোৱে আনুষ্ঠানিক আৰু অনানুষ্ঠানিকভাৱে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত মহিলাসকলৰ সুগম প্ৰতিনিধিত্বক সূচায়। সংসদত মহিলা মন্ত্ৰীৰ সংখ্যা, মহিলা সাংসদৰ বাবে আসনৰ সংখ্যা তথা উচ্চ বিধায়িনী আৰু পৰিচালন ক্ষেত্ৰত মহিলা বিষয়াৰ সংখ্যা আদিবোৰৰ পৰা আমি আনুষ্ঠানিক আৰু অনানুষ্ঠানিক বিভিন্ন ক্ষেত্ৰৰ মহিলা প্ৰতিনিধি তথা নাৰীৰ ৰাজনৈতিক সবলীকৰণৰ বিষয়টোৰ পৰিমাপ কৰিব পাৰোঁ। কিয়নো, এই বিধায়িনী ক্ষেত্ৰখনৰ জৰিয়তেই বিভিন্ন ধৰণৰ অভিযোজনা আৰু নাৰীৰ বাস্তৱ অৱস্থাৰ পৰিৱৰ্তনৰ বাবে ভূমিকা গ্ৰহণৰ সুগম পথ ৰচনা কৰা হয়, গতিকে এনে ক্ষেত্ৰসমূহত নাৰী প্ৰতিনিধিৰ সবল প্ৰতিনিধিত্বই ৰাজনৈতিক সবলীক পোনপটীয়াকৈ ৰাজনৈতিক শক্তি সঞ্চয়ন কৰে।

মহিলাসকল ৰাজনৈতিক বৃত্তৰ পৰিধিৰ পৰা বিভিন্ন কাৰণত অৱহেলিত হৈ থাকে। উদাহৰণ স্বৰূপে, নিম্ন মান আৰু হীনমন্যতাবোধ, পুৰুষ অনুপাতে মহিলাৰ সংখ্যা লঘিষ্ঠ, মহিলাৰ ওপৰত চলোৱা বিভিন্ন আতিশয্য, অপৰাধ আদিৰ কথা উল্লেখ কৰিব পাৰি। মানুহৰ বিকাশৰ লগত নাৰীসকল বেছিকৈ স্পৰ্শকাতৰ। কিন্তু তেওঁলোক এতিয়াও শিক্ষা, স্বাস্থ্য, অনাময়, খোৱাপানী, পুষ্টি আদি সমস্যাৰে জৰ্জৰিত। নাৰীসকলৰ বিভিন্ন অংশগ্ৰহণৰ জৰিয়তে এক সবল আত্মপ্ৰকাশে নিশ্চয়কৈ তেওঁলোকৰ সমস্যাবাজিৰ অৰ্গল আঁতৰাই এক সবল ৰাজনৈতিক তথা সামাজিক ভেটি প্ৰতিষ্ঠাৰ বাট মুকলি কৰিব।


১৪তম সাধাৰণ নিৰ্বাচনলৈকে ভাৰতীয় গণতন্ত্ৰৰ এক দীঘলীয়া পৰিক্ৰমাত দেখা পোৱা গৈছে যে ভাৰতীয় সংসদ, ৰাজ্যৰ বিধানসভা, ৰাজনৈতিক দল আৰু অন্যান্য সিদ্ধান্ত গ্ৰহণকাৰী ক্ষেত্ৰসমূহত নাৰী প্ৰতিনিধিত্বকাৰী লোকৰ সংখ্যা এতিয়াও সন্তোষজনক নহয়। ভাৰতীয় সংবিধানে প্ৰতিজন নাগৰিকক সমতাৰ অধিকাৰ প্ৰদান কৰিছে যদিও জীৱনৰ বিভিন্ন ক্ষেত্ৰত ভাৰতীয় নাৰীয়ে এতিয়াও এই সমতাৰ অধিকাৰ ভোগ কৰাৰ পৰা বঞ্চিত হৈ আছে। শোষণ-নিপীড়নৰ চাকনৈয়াত ভাৰতবাসীয়ে এক সামাজিক ন্যায়ৰ বাবে এতিয়াও বাট চাই থাকিব লগা হৈছে।

এই কথাও উল্লেখযোগ্য যে ভাৰতৰ স্বাধীনতা আন্দোলনত পুৰুষৰ সমানে নাৰীশক্তিৰ যি দুৰ্বাৰ মুক্তিকামী কণ্ঠ, সেয়া সঁচাই গৌৰৱৰ বিষয়। কিন্তু স্বাধীনতাৰ পিছৰ সময়ছোৱাত নাৰীকণ্ঠৰ এই সবল বহিঃপ্ৰকাশ যিদৰে হ'ব লাগিছিল সেইদৰে নোহোৱাৰ ফলত নাৰী অৱলা হোৱাৰ প্ৰতিচ্ছবিখনে ভাৰতত সবল গণতন্ত্ৰ প্ৰতিষ্ঠা কৰাত হেঙাৰৰ সৃষ্টি কৰি আহিছে। ৰাজনৈতিক ক্ষেত্ৰত নাৰী প্ৰতিনিধিৰ শক্তিক পুৰুষ পৰিচালিত বা পুৰুষ পৃষ্ঠপোষকৰ অদৃশ্য হাতোৰাত বিভিন্ন সময়ত বন্দী হোৱা বাবে নাৰী সামৰ্থ্য, জ্ঞান-বুদ্ধি, মূল্যবোধৰ সফল ৰূপায়ণ হোৱাৰ ক্ষেত্ৰত প্ৰহেলিকাৰ সৃষ্টি হৈছে। ভাৰতবৰ্ষৰ ৯০ শতাংশ নাৰীয়েই এতিয়াও ঘৰৰ বাহিৰৰ ক্ষেত্ৰখনত আগভাগ ল'বলৈ উৎসাহ অনুভৱ নকৰে।

সবলীকৰণৰ ধাৰণাটো অনৰ্থক হ'ব- যেতিয়া সমমৰ্যাদাৰে সমাজত জনতাৰ কণ্ঠৰ শক্তিশালী বহিঃপ্ৰকাশ নহয়। এইক্ষেত্ৰত ২০১০ চনৰ ৯ মাৰ্চত গৃহীত হোৱা মহিলাৰ সংৰক্ষণ বিলৰ জৰিয়তে মহিলাৰ বাবে ৩৩.৩ শতাংশ আসন সংসদ, বিধানসভা আৰু ৰাজ্যসভাত সংৰক্ষণৰ ব্যৱস্থাৰ জৰিয়তে নাৰীৰ ৰাজনৈতিক সবলীকৰণৰ বাবে আশাৰ ৰেঙনি কঢ়িয়াইছে। এই বিলখন এইচ ডি দেৱেগৌড়া চৰকাৰৰ দিনৰে পৰা (১৯৯৬) উন্মোচন কৰি অহা হৈছিল যদিও সংসদৰ সংখ্যাগৰিষ্ঠতাৰ অভাৱতে দীৰ্ঘদিন ধৰি গৃহীত হোৱাৰ অপেক্ষাত ওলমি আছিল। কিন্তু POTA (Patent Amendment Act), অৰ্থাৎ পেটেণ্ট সংশোধন আইনৰ বিলখন সংসদত তীব্ৰ বাক্-বিতণ্ডাৰ মাজতো বাস্তৱ ৰূপ পাইছিল, তেনে অৱস্থাত কিন্তু মহিলা সংৰক্ষণ বিলখন ইমান দিনে ওলমি থকা বিষয়টো ভাবি চাবলগীয়া। ৰাজনৈতিক ক্ষেত্ৰত নাৰীৰ সংৰক্ষণৰ বিষয়টোত সদিচ্ছাৰ অভাৱ এক গুৰুত্বপূৰ্ণ কাৰক বুলি ক'ব পাৰি। পৰিয়ালকেন্দ্ৰিক ৰাজনীতিৰ পৰা অহা বিভিন্ন ৰকমৰ প্ৰযুক্তিগত বাধা-নিষেধো এইক্ষেত্ৰত এক কাৰক হ'ব পাৰে। প্ৰধান ৰাজনৈতিক দল, যেনে- ৰাষ্ট্ৰীয় জনতা দল (RJD), সমাজবাদী পাৰ্টী (SP), জনতা দল (সংযুক্ত) আদিৰ এই বিলখনক লৈ আক্ৰমণাত্মক স্থিতিও বিশেষ তাৎপৰ্যপূৰ্ণ।

যদিও মহিলাৰ বাবে ৩৩.৩ শতাংশ সংৰক্ষণৰ এক বিল গৃহীত হ'ল, তথাপি বিভিন্ন পিছপৰা সম্প্ৰদায়ৰ মাজৰ পৰা সবল প্ৰতিনিধি





বাস্তৱ ক্ষেত্ৰত ভাৰতবৰ্ষৰ সংসদীয়ব্যৱস্থাইকিমান পাব সেয়াও এক সাঁথৰ হৈ আছে। কিয়নো লিংগ সমতাৰ ভিত্তিত প্ৰাৰ্থী নিৰ্বাচিত হোৱাৰ ক্ষেত্ৰত এতিয়াও বিভিন্ন আনুষংগিক উপেক্ষা জনগণ, চৰকাৰ, ৰাজনৈতিক দলৰ মাজত থকা দেখা যায়। তথাপি পঞ্চায়ত ব্যৱস্থাতো ৩৩.৩ শতাংশ আসন সংৰক্ষণৰ সুবিধা প্ৰায় এক নিযুত মহিলা প্ৰতিনিধি সিদ্ধান্ত গ্ৰহণকাৰী ব্যৱস্থাটোৰ লগত জড়িত হোৱাৰ ফলত এক সুন্দৰ সবলীকৰণৰ ৰেঙনি কঢ়িয়াব পাৰে।

ৰাষ্ট্ৰীয় জনতা দল, সমাজবাদী পাৰ্টী, জনতা দল আদিয়ে মহিলাৰ সংৰক্ষণ বিলখনৰ বিৰোধিতা কৰাৰ মূল কাৰণ হিচাপে কৈছে যে এই বিলখনে সমাজৰ সকলো সম্প্ৰদায়ৰ মহিলাক সহায় নকৰে, ই কেৱল উচ্চ বংশজাত, সম্ভ্ৰান্ত শ্ৰেণীৰ মহিলাৰ বাবেহে বাট মুকলি কৰিছে— যাৰ ফলত পিছপৰা মহিলাক উপকাৰ কৰাতকৈ সম্ভ্ৰান্ত শ্ৰেণীৰ বাবে সুবিধা কঢ়াৰ ফলত পিছপৰা মহিলাসকল বেছিকৈ শোষিতহে হ'ব। এইপ্ৰসংগত জনতা দল (সংযুক্ত)ৰ সভাপতি শাৰদ যাদৱে উল্লেখ কৰিছে যে এই বিলখন সম্ভ্ৰান্ত শ্ৰেণীৰ বাবে সু-পৰিকল্পিত বিল— যাতে দলিত শ্ৰেণীৰ মানুহৰ প্ৰতিনিধিৰ সংখ্যা হ্ৰাস পায়। ই ৰাজনৈতিক ন্যায়ৰ বাবে অতি দুখজনক বিষয়। বিলখন যদি বৰ্তমানৰ ৰূপতে ৰূপায়ণ কৰি থকা হয়, ই নিশ্চয়কৈ সম্ভ্ৰান্ত শ্ৰেণীকহে উপকৃত কৰিব। সমভাৱে সকলো শ্ৰেণীক ই সহায় নকৰে। ভাৰতীয় ৰাজনীতিত বৰ্ণ-সম্প্ৰদায়ৰ ভিত্তিত বাছনি কৰাৰ নিয়ম আছে। আমাৰ ৰাজনৈতিক দলসমূহেও প্ৰাৰ্থী নিৰ্বাচনত ন্যূনতম এক-তৃতীয়াংশ মহিলাক স্থান দিবলৈ বিভিন্ন সময়ত দাবী উত্থাপন কৰি আহিছে। এই সম্পৰ্কত যদি সংসদীয় ব্যৱস্থাত স্থিতি সবল হয়, তেতিয়া চৰকাৰে নিশ্চয় বিলখন সংশোধনৰ জৰিয়তে ৰূপায়ণৰ ব্যৱস্থা কৰিব- যাতে ৰাজনৈতিক ব্যৱস্থাত প্ৰতিনিধিত্ব কৰিবলৈ, নেতৃত্ব বহন কৰিবলৈ কেইটামান ৰাজপৰিয়ালসদৃশ পৰিয়ালক বাদ দিও সমাজৰ পৰা সমহাৰত ৰাজনৈতিক সবলীকৰণ হৈ পৰিয়ালকেন্দ্ৰিক তথা সম্ভ্ৰান্ত শ্ৰেণীৰ ৰাজনীতিৰ ওৰ পৰিবৰ বাবে বাট মুকলি হ'ব।

মহিলাৰ ৰাজনৈতিক সবলীকৰণৰ বিষয়টোৰ ক্ষেত্ৰত এনে অনেক প্ৰশ্ন জড়িত হৈ আছে। আমাৰ সংসদীয় ব্যৱস্থাত এইক্ষেত্ৰত সুদূৰপ্ৰসাৰী ব্যৱস্থা গ্ৰহণৰ বাবে ভাৰতবাসীয়ে নিশ্চয় আশা কৰে। দেশৰ মুঠ জনসংখ্যাৰ আধাতকৈ বেছি লোক ৰাজনৈতিক ন্যায়ৰ পৰা বঞ্চিত হৈ থাকিলে দেশত সামাজিক ন্যায় তথা অন্যান্য সবলীকৰণ নিশ্চয় সুদূৰপৰাহত। উন্নয়নকামী সামাজিক পৰিৱৰ্তন তেতিয়াহে হ'ব- যেতিয়া নাৰীসকলে সম্পূৰ্ণ সেই পৰিৱৰ্তনমুখী কামৰ লগত চামিল হ'ব পাৰিব। নাৰীক সবল কৰি তুলিবলৈ আমাৰ বিধায়িনী ব্যৱস্থাটোৰ বাবে নাৰীসকলক উৎসাহী কৰি তুলিব লাগিব, তাৰ বাবে সকলোৰে বাবে শৈক্ষিক তথা বৌদ্ধিক পৰিকাঠামো নিৰ্মাণ হ'ব লাগিব। ❀❀❀

*(৪০ পৃষ্ঠাৰ পৰা..)*

আমাৰ সমাজখনতো বাহিৰৰ দুষ্ট চক্ৰৰ কবলত পৰি বহু মহিলা বিপথে গৈ অপকৰ্ম নকৰা নহয়। সচেতন মহিলাসকলে এই ক্ষেত্ৰত সজাগ হৈ সুস্থ সমাজ গঢ় দিবৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰা উচিত।

অসমীয়া নাৰীসকলৰ মাজত কেতিয়াও বিচলিত নহ'বলৈ আমাক চিন্তাৰ খোৰাক যোগাই আহিছে কাব্যভাৰতী ধৰ্মেশ্বৰী দেৱী বৰুৱানীয়ে। বৈবাহিক জীৱনৰ কিছুদিনৰ পিছতে বাতবিষে লগ লোৱাত পংগু জীৱন কটাবলগীয়া হয়। শৰীৰৰ ৰোগৰ যন্ত্ৰণা, অকাল বৈধব্য বেদনাৰ উপশম বিচাৰি হাতত কলম-কাগজ তুলি লৈছিল। আধ্যাত্মিক চিন্তাৰে পৃথিৱীখনক সদায় সুন্দৰ ৰূপত দেখা পাইছিল। কবিতাবিলাকক নিজৰ সন্তান বুলি ভাবিছিল। এনে নাৰীসকল আমাৰ বাবে সদায় চিৰনমস্য।

চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱন আধাৰিত উপন্যাস 'অভিযাত্ৰী'ৰ বাবে সাহিত্য একাডেমি বঁটা বিজয়িনী নিৰুপমা বৰগোহাঞি ডাঙৰীয়ানী। তেওঁৰে উপন্যাস 'নামি আহে এই সন্ধিয়া' আৰু 'অন্য জীৱন' এক উৎকৃষ্ট নাৰীবাদী উপন্যাস বুলিব পাৰি। তেওঁৰ উপন্যাসত নাৰীৰ সমস্যা, নাৰীৰ সমাজত অধিকাৰ, নাৰীৰ মৰ্যাদা, আশা-আকাংক্ষা, ভাব-অনুভূতি আদি গুৰুত্বপূৰ্ণ দিশবোৰ পোহৰলৈ আনিবলৈ সক্ষম হৈছে। নাৰীবাদী উপন্যাসৰ বাবে তেওঁ (অন্য জীৱন) জাতীয় 'শাশ্বতী বঁটা' লাভ কৰিবলৈ সক্ষম হৈছিল।

অসমীয়া সাহিত্য জগতত স্বনামধন্য হৰিপ্ৰিয়া বাৰুকিয়াল, অণিমা গুহ, জুৰি দেৱী, এলি আহমেদ, কৰবী ডেকা হাজৰিকা, অনুৰাধা শৰ্মা পূজাৰী, নীলিমা দত্ত, ভাৰতী বৰুৱা, অৰ্পণা মহন্ত, ৰীতা চৌধুৰী, পূৰবী বৰমুদৈৰ দৰে অনেক লেখিকাৰ গ্ৰন্থৰাজি অধ্যয়ন কৰিলে আমাৰ সৰ্বসাধাৰণ নাৰীসকলৰ জ্ঞানৰ ভঁৰাল চহকী হ'ব। তেখেতসকলৰ সাহিত্যত নাৰীবাদী চিন্তাৰ বিষয়ে জানিব পাৰি। একাগ্ৰতা, সহনশীলতা, ধৈৰ্য থাকিলে বাধা-বিপত্তিসমূহে কৃতকাৰ্যতা অনাত সহায়ক হয়।

আমি গ্ৰাম্য সমাজৰ মহিলাসকলে এটা সিদ্ধান্তলৈ অহা উচিত যে বৌদ্ধিক ক্ষেত্ৰত সফলতা পাবলৈ মহিলাসকল একাগ্ৰতা, নিয়মানুৱৰ্তিতা, কষ্টসহিষ্ণুতা আৰু সুন্দৰ মনৰ গৰাকী হ'বলৈ যত্ন কৰক।

নাৰী তুমি অৰ্ধাকাশ। মহান ব্যক্তিৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ নাৰীবাদী চিন্তাধাৰাই আমাৰ নিজৰ মাতৃসকলৰ প্ৰতি সমবেদনা আনক। অন্তৰ সুন্দৰ কৰি লিখা আৰু কামৰ মাজত সংগতি ৰাখি গ্ৰাম্য সমাজত পোহৰৰ ৰেঙনি পেলাওক। ❀❀❀